**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JUNE-2026
**Time :** 12:05 PM

***Assamese 12.05 PM Bulletin***

——————————————

## HEADLINE

১। ৰাজ্যৰ মহাবিদ্যালয়সমূহত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম অব্যাহত থাকিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

২। অসম আৰু অৰুণাচলৰ সীমামূৰীয়া অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত ভূমিস্খলন। ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত ব্যাহত।

৩। অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামত দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম। **আৰু**

৪। ফিফা বিশ্বকাপ ফুটবলত কংগোৰ বিৰুদ্ধে কলম্বিয়াৰ ১-০ গ'লত জয়লাভ।

oooooo

ৰাজ্যৰ মহাবিদ্যালয়সমূহত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম অব্যাহত থাকিব আৰু মহাবিদ্যালয়সমূহত শিক্ষক তথা আন্তঃগাঁথনিৰ অভাৱ দূৰ কৰা হ'ব। গুৱাহাটীত কালি সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে অনুষ্ঠিত বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মহাবিদ্যালয়সমূহত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম চলি থাকিব। স্নাতকোত্তৰ পৰ্যায়ৰ বাবে এতিয়াৰ পৰাই পৰিকল্পনা যুগুত কৰি পদক্ষেপ লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। যোৱা ২৩ মে'ত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত সৃষ্টি হোৱা অচলাৱস্থাৰ সমাধান বিচাৰি সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা পত্ৰৰ প্ৰত্যুত্তৰত অনুষ্ঠিত কালিৰ বৈঠকত সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন, মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য উপস্থিত থাকে।

oooooo

ৰাজ্যিক মন্ত্ৰীসভাই ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত কয়, যে ৰাজ্যত ঔদ্যোগিক আৰু বাণিজ্যিক বিনিয়োগত উদগনি যোগোৱাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই বিধেয়কখন বিধানসভাৰ আসন্ন বাজেট অধিবেশনত উত্থাপন কৰা হ'ব। ইয়াৰ অধীনত ক্ষুদ্ৰ, খাদী উদ্যোগ আৰু সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে স্বয়ংক্ৰিয়ভাৱে ভূমি ৰূপান্তৰৰ অনুমতি লাভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।

ড° শৰ্মাই কয় যে সুলভ মূল্যৰ দোকানসমূহৰ কাম-কাজ নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীসকলক সুকলমে খাদ্য বিতৰণৰ বাবে ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ বৈধতাৰ সময়সীমা ৩০ জুনৰ পৰিৱৰ্তে ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে বৈঠকত অসম চাহ নিগম লিমিটেডক ৯ কোটি ৭৫ লাখ টকাৰ পুজি মুকলি কৰি দিয়াত অনুমোদন দিয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই গ্ৰামাঞ্চলত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ন্যূনতম ভূমিৰ প্ৰয়োজনীয়তা ৬০ বিঘাৰ পৰা ৩৫ বিঘালৈ আৰু চহৰাঞ্চলৰ ৩০ বিঘাৰ পৰা ২১

বিঘালৈ হ্ৰাস কৰাৰ ক্ষেত্ৰতো অনুমোদন দিছে। মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ হোমষ্টেসমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টেসমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়।

ধৰ্মীয় অনুষ্ঠানৰ ওচৰৰ মাটি ক্ৰয় কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আৰোপ কৰা নিষেধাজ্ঞা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এইক্ষেত্ৰত কিছু সাল-সলনি কৰা হ'ব।

**বাইট**

০০০০০০

ৰাজ্য চৰকাৰে আফ্ৰিকান ছোৱাইনফ্লুৰ প্ৰাদুৰ্ভাৱলৈ চাই গাহৰি পালন খণ্ডত সংক্ৰামক ৰোগ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া জৈৱ সুৰক্ষা ব্যৱস্থা সন্দৰ্ভত এলানি নীতি-নিৰ্দেশনা জাৰি কৰিছে। ২০০৯ চনৰ পশুধন আইন, ১৯৬০ চনৰ জীৱ-জন্তুৰ প্ৰতি ক্ৰুৰতা প্ৰতিৰোধ আইন আৰু আফ্ৰিকান ছোৱাইন ফ্লু সম্পৰ্কীয় ৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনাৰ সংক্ৰামক ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা অনুসৰি এই নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে। ৰাজ্যত যোৱা ১৯ জুনলৈ আফ্ৰিকান ছোৱাইন ফ্লুৰ ৯টা অভিকেন্দ্ৰ চিনাক্ত কৰা হৈছে।

০০০০০০

কামৰূপ জিলাৰ ৰঙিয়া আৰু নগৰবেৰাত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ তিনিগৰাকী লোক মৃত্যুমুখত পৰাৰ প্ৰতি লক্ষ্য ৰাখি জিলা স্বাস্থ্য বিভাগে ভালেমান সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে জিলাখনৰ ঠায়ে ঠায়ে সজাগতা শিবিৰৰ আয়োজন কৰাৰ লগতে ঔষধমিহলি আঁঠুৱা বিতৰণ, পানী জমা হোৱা ঠাইত ঔষধ ছটিওৱা, সজাগতামূলক ৰাজহুৱা ঘোষণা, ধোঁৱা দিয়া আদি কাৰ্য ৰূপায়ণ কৰা হয়। তদুপৰি জিলাখনৰ গাহৰি পালন কৰা অঞ্চলসমূহত গাহৰিৰ তেজ পৰীক্ষা কৰা হৈছে বুলি জিলা স্বাস্থ্য বিভাগৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

উল্লেখযোগ্য যে কামৰূপ জিলাত বৰ্তমানলৈ ১২ জন লোকৰ শৰীৰত জাপানী এনকেফেলাইটিছ ৰোগ ধৰা পৰিছে আৰু ইয়াৰে চাৰিগৰাকী মৃত্যুমুখত পৰিছে। আন ৮ গৰাকীৰ মাজৰ ৫ গৰাকী ইতিমধ্যে সুস্থ হৈ উঠাৰ লগতে আন তিনিগৰাকী সম্প্ৰতি চিকিৎসাধীন হৈ আছে বুলি জিলা মেলেৰিয়া বিষয়া ডাঃ ঋতুপৰ্ণ ৰাজকুমাৰে প্ৰকাশ কৰে।

**বাইট (ডাঃ ঋতুপৰ্ণ)**

০০০০০০

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামলৈ দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম হৈছে। সম্প্ৰতি বন্ধ থকা কামাখ্যা মন্দিৰৰ দুৱাৰ অহা ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত ভক্তৰ বাবে পুনৰ খুলি দিয়া হ'ব। অম্বুবাচী মহাযোগ সন্দৰ্ভত দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকললৈ সহায়-সহযোগিতা আগবঢ়াই আহিছে। অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভূতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কামাখ্যা মন্দিৰৰ চৌহদ পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে গুৱাহাটী পৌৰ নিগমৰ বিষয়া-কৰ্মচাৰীসকলক কঠোৰ নিৰ্দেশ দিছে। বিষয়াসকলক অম্বুবাচীৰ প্ৰতি

মুহূৰ্তৰ ফটো লাইভ লোকেচন মন্ত্ৰীগৰাকীলৈ প্ৰেৰণ কৰিবলৈ কোৱা হৈছে। ইপিনে, গুৱাহাটী পৌৰ নিগমে ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত শ্যামকানু মহন্তই দাখিল কৰা জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে অসম আৰক্ষী তথা ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়াধীশ পি ভি নাগৰত্ন আৰু ন্যায়াধীশ জয়মাল্য বাগ্‌চিৰ বিচাৰপীঠে ৰাজ্য চৰকাৰক জুলাই মাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। জামিন আবেদনৰ শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই ভিডিঅ' কনফাৰেঞ্চযোগে অংশ লয়। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ২৯ মে'ত মহন্তৰ জামিন আবেদন নাকচ কৰিছিল।

০০০০০০

অসম আৰু অৰুণাচলত যোৱা কেইদিনমান ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অঞ্চল ভূমিস্খলনৰ কৱলত পৰিছে। ডিব্ৰুগড় জিলাৰ জয়পুৰৰ সীমামূৰীয়া অঞ্চলতো শেহতীয়াকৈ ভয়ংকৰ ভূমিস্খলন হয়। বিশেষকৈ অসম-অৰুণাচলৰ সীমামূৰীয়া তিৰাপৰ দুটা স্থানত হোৱা ভূমিস্খলনৰ ফলত ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ এটা অংশ খহি পৰাত যাতায়াত বাধাগ্ৰস্ত হৈছে। তদুপৰি ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পাইছে বুলিও আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

অসম চৰকাৰে অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ আৰু ইটানগৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি নামনি সোৱণশিৰি জিলাৰ বিভিন্ন অঞ্চলত বিগত ২৪ ঘণ্টাত প্ৰায় ৭২ দশমিক ৮ মিলিমিটাৰ বৰষুণ হয়। কৃত্ৰিম উপগ্ৰহ আৰু ৰাডাৰৰ জৰিয়তে লাভ কৰা ছবিৰ পৰা আজি পুৱা ৬ বজাৰ পৰা চাৰে ৭ বজাত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত আকস্মিক বানৰ সৃষ্টি হৈছে আৰু নৈসমূহ ফেনে-ফোটোকাৰে উফন্দি উঠিছে। ৰঙানদী জলবিদ্যুৎ প্ৰকল্প এলেকাত হোৱা আকস্মিক বানৰ বাবে পানী বৃদ্ধি পোৱাত প্ৰকল্পটোৰ এখন গে'ট খুলি দিয়া হৈছে। উজনিৰ অৱবাহিকা অঞ্চলসমূহত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে অসমৰ ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰ জিলাত অহা দুই-এদিনত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৰাজ্য চৰকাৰে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মুখ্য সচিবে সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰ সৈতে কথা-পাতিছে আৰু সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে। প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা জিলাসমূহৰ প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক পৰিস্থিতি নিৰীক্ষণ কৰি থাকিবলৈ আৰু সময়মতে সতৰ্কতামূলক ব্যৱস্থা অৱলম্বন কৰিবলৈ কোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্য জৰুকালীন সহায় সংস্থাসমূহক প্ৰয়োজন হ'লেই নিয়োজিত কৰিব পৰাকৈ সাজু কৰি ৰখা হৈছে।

০০০০০০

ফিফা বিশ্বকাপ ফুটবলত আজি পুৱা গুৱাডালাজাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলম্বিয়াই কংগোক ১-০ গ'লত পৰাস্ত কৰে।

কানাডাৰ টৰণ্টো ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত গ্ৰুপ-এলৰ এখন খেলত ক্ৰেৱেছিয়াই পানামাক ১-০ গ'লত পৰাস্ত কৰে। পানামাৰ খেলুৱৈসকলে খেলখনৰ শেষভাগত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে তীব্ৰ হেঁচা প্ৰয়োগ কৰিছিল যদিও ক্ৰেৱেছিয়াৰ গ'লকিপাৰ ডমিনিক লিৱাকোভিচে কেইবাটাও গ'ল ৰক্ষা কৰি ক্ৰেৱেছিয়াক বিজয়ৰ সোৱাদ দিয়ে।

ইয়াৰ পূৰ্বে আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত গ্ৰুপ-কেৰ এখন খেলত কালি পৰ্টুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে। আনহাতে, ইংলেণ্ড আৰু ঘানাৰ মাজত ফক্সবৰ'ৰ বষ্টন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এলৰ আন এখন খেল গ'লশূন্যভাৱে সমাপ্ত হয়।

০০০০০০

**সমাপ্ত**